জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৯৬/২০২০**

## পি এম কেয়াৰ, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ ৪.৫১ লাখ টকাৰ বৰঙনি

## ক'ভিড-১৯ বিৰোধী যুঁজৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বৰঙনি অব্যাহত

**দিছপুৰ, ২১ এপ্ৰিল ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত 'পি এম কেয়াৰ' পুঁজি, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে আগবঢ়োৱা বৰঙনি আজিও অব্যাহত আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ১৭ গৰাকীকৈ ন্যায়াধীশে আজি 'পি এম কেয়াৰ' পুঁজি, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ মুঠ ৪ লাখ ৫১ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়। তেওঁলোক হৈছে মুখ্য ন্যায়াধীশ অজয় লাম্বা, ন্যায়াধীশসকল ক্ৰমে এন কে সিং, মানস ৰঞ্জন পাঠক, মনোজিৎ ভূঞা, সুমন শ্যাম, ৰুমী কুমাৰী ফুকন, অচিন্ত্য মল্ল বুজৰবৰুৱা, কল্যাণ ৰাই সুৰানা, প্ৰশান্ত কুমাৰ ডেকা, অজিৎ বৰঠাকুৰ, হিতেশ কুমাৰ শৰ্মা, মীৰ আলফাজ আলী, সঞ্জয় কুমাৰ মেধি, মনিষ চৌধুৰী, সৌমিত্ৰ শইকীয়া, পাৰ্থিৱ জ্যোতি শইকীয়া আৰু অৱসৰপ্ৰাপ্ত ন্যায়াধীশ এইচ্ এন শৰ্মা।

আনহাতে, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম বিদ্যুৎ বিতৰণ কোম্পানী পৰিসীমিতই ৫৫ লাখ টকা, অসম বিদ্যুৎ গ্ৰীড নিগম পৰিসীমিতই ১২ লাখ টকা আৰু অসম বিদ্যুৎ উৎপাদন নিগম পৰিসীমিতই ৮.৩৮৫ লাখ টকাৰ বৰঙণি আগবঢ়ায়।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আজিৰ দিনটোত বৰঙনি আগবঢ়োৱা অন্যান্য ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহ ভিতৰত ছেভেন চিষ্টাৰ্চ ট্ৰেড এণ্ড ডিষ্টিলেৰীছ প্ৰাইভেট লিমিটেডে ১ লাখ টকা, নৰ্থ ইষ্ট ডিষ্টিলেৰীছ প্ৰাইভেট লিমিটেডে ১ লাখ টকা, আৰোমা ইণ্ডিয়া প্ৰাইভেট লিমিটেডে ১ লাখ টকা, ছাৰন ইণ্ডাষ্ট্ৰিজে ১ লাখ টকা, হাইলেন ইনফ্ৰাটেকে ১ লাখ টকা, ভৰলু ভিউ হাউছিং ছ'চাইটিয়ে ১.০১ লাখ টকা, বন্দনীয় লক্ষ্মীবাই কেলকাৰ স্মাৰক সমিতিয়ে ৫১ হাজাৰ টকা, আৰ ডি এডুকেশ্যনেল এণ্ড স্পৰ্টছ্ ফাউণ্ডেশ্যনে ৭০ হাজাৰ টকা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই ১ লাখ টকা, মনোৰমা বৰাই ১ লাখ টকা আৰু গুৱাহাটী বেপ্টিষ্ট চাৰ্চে ১ লাখ টকাৰ বৰঙণি আগবঢ়ায়।

তদুপৰি, অসম আৰোগ্য নিধিলৈ আজি পুলিন চন্দ্ৰ গগৈয়ে ১.৫০ লাখ টকা, ভাৰতীয় চা পৰিষদে ৫ লাখ টকা, লাখদতৰ সেৱা সমিতিয়ে ৫০ হাজাৰ টকা, তিনিচুকীয়া ইংলিছ একাডেমীয়ে ৫১ হাজাৰ টকা, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট ইউজাৰ এছ'চিয়েশ্যনে ৫১ হাজাৰ টকা, অ' পি বাগ্চাল এণ্ড ছনছে্ ৫১ হাজাৰ টকা, বাডিং বাডছ্ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলে ৮০ হাজাৰ টকা আৰু আগৰৱাল সেৱা সমিতিয়ে ১ লাখ টকাৰ বৰঙনি আগবঢ়ায়। আনহাতে, 'পি এম কেয়াৰ' পুঁজিলৈ পুলিন চন্দ্ৰ গগৈয়ে ১.৫০ লাখ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**২১/৪/২০২০**